**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৫৮৬/২০১৯**

## কৰ পৰিশোধ ব্যৱস্থাটোৰ সম্পৰ্কত অধিক জনসচেতনতা সৃষ্টিত মুখ্যমন্ত্ৰীৰ গুৰুত্ব আৰোপ

**দিছপুৰ, ১০ ডিচেম্বৰ ঃ** তৃণমূল পৰ্যায়ত ব্যৱসায়ী সকলে জি এছ টি ব্যৱস্থাৰ অধীনত কৰ পৰিশোধৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যা সমূহ মোকাবিলা কৰাৰ বাবে কৰ বিভাগক অধিক শক্তিশালী কৰিবলৈ যাৱতীয় পদক্ষেপ গ্ৰহণ কৰাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী সোণোৱালে ৰাজ্যৰ ব্যৱসায়ীসকলৰ মাজত জি এছ টি বলবৎ হোৱাৰ পিছত কৰ পৰিশোধৰ বাবে ৰূপায়ণ কৰা চিংগল উইণ্ড' ব্যৱস্থাটোৰ সম্পৰ্কত প্ৰয়োজনীয় সজাগতা সৃষ্টি কৰিবলৈ নিৰ্দেশ দিয়ে। ৰাজ্যখনৰ অৰ্থনৈতিক ক্ষেত্ৰখনলৈ জি এছ টিৰ বৰঙণি সম্পৰ্কত আজি ব্ৰহ্মপুত্ৰ অতিথি শালাত অনুষ্ঠিত এক বৈঠকত পৌৰোহিত্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে নতুন কৰ ব্যৱস্থাৰ অধীনত যি সকলে কৰ প্ৰদান কৰে তেখেতসকলক অধিক সচেতন কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে কৰ প্ৰদান কৰা ব্যৱস্থাটো অধিক কাৰ্যকৰী কৰাৰ বাবে নিৰীক্ষণ ব্যৱস্থাটো অধিক শক্তিশালী কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কৰ প্ৰদান ব্যৱস্থাটোক অধিক উৎসাহিত কৰাৰ বাবে যি সকলে সময় মতে কৰ পৰিশোধ কৰি আহিছে তেওঁলোকক স্বীকৃতি প্ৰদানৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কৰ পৰিশোধৰ ব্যৱস্থাটোত যাতে কোনো সুৰুঙা থাকিব নোৱাৰে তাৰ বাবে যথোচিত ব্যৱস্থা গ্ৰহণৰ ওপৰটো গুৰুত্ব আৰোপ কৰে।

আজিৰ এই বৈঠকত মুখ্য সচিব আলোক কুমাৰ, কৰ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব ৰাজীৱ বৰা, গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ সিনহা, কৰ আয়ুক্ত অনুৰাগ গোৱেল, চি জি এছ টিৰ বিষয়া আৰু অন্যান্য শীৰ্ষ বিষয়া সকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ / বীঃগঃ**
**১০/১২/২০১৯**